বাহিনীৰ সাদৃশ্য থকা দেখা যায়। সৈন্য বাহিনীত সকলো সদস্যৰ অৱস্থান উচ্চতম স্তৰৰ পৰা নিম্নতম স্তৰলৈ বিভিন্ন স্তৰত বিভক্ত। প্ৰতিটো স্তৰৰ সৈনিক সকলৰ দায়িত্ব আৰু কৰ্তব্য নিৰ্দিষ্ট। আদেশ-নিৰ্দেশ জাৰি আৰু সেইবোৰ সুচাৰুৰূপে উচ্চতম স্তৰৰ পৰা নিম্নতম স্তৰলৈ সম্পাদিত হয়। তলতীয়া কৰ্তৃপক্ষ বা কৰ্মচাৰী সকলে উৰ্ধতন কৰ্তৃপক্ষৰ আদেশ নিৰ্দেশ সম্পূৰ্ণৰূপে মানি চলিবলৈ বাধ্য। সামৰিক বাহিনীৰ সংগঠন সম্পৰ্কত অধ্যাপক এলান বলে কৈছে— "The structure of the armed forces is hierarchical Centralised, Putting a premium on rapid Communication." আদেশ-নিৰ্দেশ প্ৰদান আৰু সেইবোৰ পালনৰ ক্ষেত্ৰত সৈন্য বাহিনীৰ নীতি অন্যান্য সামাজিক সংগঠনৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

(২) সৈন্য বাহিনীয়ে শৃঙ্খলা আৰু নিয়মানুবৰ্তিতাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। সৈন্য বাহিনীৰ সকলোবোৰ সদস্যই সময়ানুবৰ্তিতা আৰু উৰ্ধতন কৰ্তৃপক্ষৰ আদেশ-নিৰ্দেশ বিনা বাক্যে মানি চলিব লাগে। শৃঙ্খলা, নিয়ম উৰ্ধতন কৰ্তৃপক্ষৰ আদেশ পালন ইত্যাদি ক্ষেত্ৰত সৈন্য বাহিনীৰ ব্যৱস্থা হ'ল অত্যন্ত কঠোৰ আৰু আপোচহীন। নিয়ম-শৃঙ্খলা আৰু আচৰণবিধি অমান্য কৰাৰ অভিযোগত বিশেষ সামৰিক আদালতত সৈন্য বাহিনীৰ অভিযুক্ত সদস্যৰ বিচাৰ হয়। বিচাৰত দোষী সাব্যস্ত হ'লে কঠোৰ শাস্তিৰ ব্যৱস্থা হয়। এই শাস্তি মৃত্যুদণ্ড পৰ্যন্ত হ'ব পাৰে। সামৰিক বাহিনীৰ সদস্য সকলৰ মাজত যেনে ধৰণৰ কঠোৰ নিয়মানুবৰ্তিতা আৰু শৃংখলাপৰায়ণতা দেখা যায় অন্য সামাজিক গোষ্ঠীৰ সদস্যসমূহৰ ক্ষেত্ৰত সেইবোৰ নাথাকে।

(৩) দেশৰ অন্য সামাজিক জীৱনৰ লগত সৈন্য বাহিনীৰ সদস্য সকলৰ কোনো ধৰণৰ সম্পৰ্ক নাথাকে। সৈন্য বাহিনীৰ সদস্য সকলে অকলশৰীয়াকৈ নিৰ্দিষ্ট বেৰেকত বসবাস কৰে। তেওঁলোকৰ পোছাক-পাতি সম্পূৰ্ণ সুকীয়া ধৰণৰ আৰু সুকীয়া ৰঙৰ হয়। সৈন্য বাহিনীৰ সদস্য সকলৰ বাবে পৃথক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। তেওঁলোকৰ মাজত বিশেষ এটা ঐতিহ্যৰ প্ৰতি আনুগত্যৰ মনোভাৱ সৃষ্টি কৰা হয়। তেওঁলোকৰ জীৱন যাত্ৰাৰ ধৰণ, ধাৰণা আৰু আচৰণ ভিন্ন প্ৰকৃতিৰ হয়। জনজীৱনৰ পৰা সম্পূৰ্ণ স্বতন্ত্ৰ আৰু বিচ্ছিন্নতাৰ কাৰণে সৈন্য বাহিনীৰ সদস্যসকলে নিজৰে

ক্ষমতাত অধিষ্ঠিত হ'লে তেওঁলোকে গুৰুত্বপূৰ্ণ সামাজিক সংস্কাৰ সাধন কৰিবলৈ সক্ষম হয়। আকৌ সামৰিক বৃত্তিৰ বিষয়ত দেশৰ কোনো কোনো বিশেষ অঞ্চলৰ মানুহৰ নেতিবাচক মনোভাৱ থাকে। এই কাৰণে এখন দেশৰ সৈন্যবাহিনীত বিশেষ একোটা অঞ্চলৰ অধিবাসী সকলৰ আধিপত্য পৰিলক্ষিত হয়। এই ক্ষেত্ৰত উদাহৰণ হিচাপে নাইজেৰিয়াৰ সামৰিক বাহিনীক লব পাৰি। নাইজেৰিয়াৰ উত্তৰাঞ্চলৰ সামন্ততান্ত্ৰিক ৰাজনৈতিক নেতাসকলে সামৰিক বাহিনীৰ সদস্যপদ গ্ৰহণৰ বিষয়টোক নিম্ন মানৰ বুলি ভাবে। এই কাৰণে নাইজেৰিয়াৰ সামৰিক বাহিনীত উপকূলবৰ্তী অঞ্চলৰ উপজাতীয়সকলৰ প্ৰাধান্য পৰিলক্ষিত হয়।

**সামৰণি ঃ** এলান বলৰ অভিমত অনুসৰি সকলোবোৰ ৰাজনৈতিক ব্যৱস্থাতেই সামৰিক বাহিনীৰ কেইটামান সুবিধানজক বৈশিষ্ট্য থাকে। এই সুবিধাজনক বৈশিষ্টবোৰৰ সুবিধাৰে সামৰিক বাহিনীয়ে ৰাজনৈতিক প্ৰতিক্ৰিয়াত হস্তক্ষেপৰ সুযোগ লাভ কৰে। আনহাতে সামৰিক বাহিনীৰ কিছুমান অসুবিধাজনক উপাদানো আছে। এই অসুবিধাজনক উপাদানবোৰৰ বাবে সামৰিক বাহিনীয়ে কিছুমান নিয়ন্ত্ৰণ আৰোপৰ বিষয়ত বাধাৰ সন্মুখীন হ'ব লগা হয়। ৰাজনৈতিক প্ৰক্ৰিয়াত সামৰিক বাহিনীৰ হস্তক্ষেপ বিভিন্ন ধৰণৰ হ'ব পাৰে, আকৌ সেইটো পৰিপূৰ্ণভাৱে সামৰিক শাসন প্ৰতিষ্ঠাও হ'ব পাৰে। সি যি কি নহওক, সামৰিক বাহিনীৰ হস্তক্ষেপৰ প্ৰকৃতি কেইটামান বিষয়ৰ ওপৰত নিৰ্ভৰশীল। এই বিষয়বোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ চৰিত্ৰ, ৰাজনৈতিক সংগঠন সমূহৰ স্থায়িত্ব আৰু আৰ্থ-সামাজিক উন্নয়নৰ স্তৰ। তাৰোপৰি সামৰিক বাহিনীৰ সংগঠন, বাহিনীৰ সদস্য সকলৰ নিয়োগ পদ্ধতি আৰু সামৰিক বৃত্তিৰ প্ৰতি তেওঁলোকৰ আনুগত্যৰ মাত্ৰাও এই ক্ষেত্ৰত বিশেষ তাৎপৰ্যপূৰ্ণ। ইয়াৰোপৰি অসামৰিক সমাজ জীৱনৰ মূল্যবোধৰ সৈতে সামৰিক বাহিনীৰ মূল্যবোধ কিমানখিনি সামঞ্জস্যপূৰ্ণ, সেইটোও এই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্বপূৰ্ণ। বৰ্তমান যোগাযোগ ব্যৱস্থাৰ অভাৱনীয় বিকাশ আৰু বিস্তাৰ ঘটিছে। তাৰোপৰি আন্তৰ্জাতিক স্তৰত মতাদৰ্শ ভিত্তিক বিভিন্ন গোষ্ঠীৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ উঠিছে। এই অৱস্থাত সামৰিক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বৈদিশিক শক্তিৰ প্ৰভাৱক অস্বীকাৰ কৰিব নোৱাৰি। সৰ্বশেষত জনসাধাৰণৰ সমৰ্থনৰ

লাভ কৰে। এইটো হ'ল এটা অস্বাভাৱিক অৱস্থাৰ সময়ৰ এটা ব্যতিক্ৰমী ব্যৱস্থা। এই প্ৰসঙ্গত অধ্যাপক এলান বলৰ মন্তব্য হ'ল— "......It should be noted that war conditions are exceptional in affecting the civilian military relationship in all political system."

**উদাৰনৈতিক ৰাজনৈতিক ব্যৱস্থাত অ-সামৰিক কৰ্তৃপক্ষৰ প্ৰাধান্য ঃ** উদাৰনৈতিক গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাৰ কেইটামান বৈশিষ্ট্যৰ বাবে অসামৰিক চৰকাৰৰ দৃঢ়ভিত্তি আৰু সামৰিক কৰ্তৃপক্ষৰ ওপৰত প্ৰাধান্য বাহাল থাকে। উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাৰ এই বৈশিষ্ট্যবোৰ বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। এই বৈশিষ্ট্যবোৰ হ'ল— স্বাধীনতাৰ দীঘলীয়া ইতিহাস, জাতীয় ঐক্য আৰু সংহতি, শিল্পায়নৰ ক্ষেত্ৰত তুলনামূলকভাৱে স্থায়ী এক প্ৰক্ৰিয়া আৰু ৰাজনৈতিক ক্ষমতা হস্তান্তৰৰ ক্ষেত্ৰত শান্তিপূৰ্ণ আৰু বিশেষভাৱে স্বীকৃত পদ্ধতিৰ অস্তিত্ব। তাৰোপৰি উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাত জনসাধাৰণৰ সাৰ্বভৌমত্বৰ ধাৰণাই (Popular Sovereignty) উনৈশ শতিকাতে স্বীকৃতি পাইছে আৰু প্ৰতিষ্ঠিত হৈছে। এই বৈশিষ্ট্যবোৰে উদাৰনৈতিক গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাত অ-সামৰিক চৰকাৰৰ বৈধতাৰ ভিত্তি সুদৃঢ় কৰে। বৰ্তমানৰ ৰাজনৈতিক প্ৰক্ৰিয়াত ৰাজনৈতিক দলৰ লগে লগে অন্যান্য বিভিন্ন গোষ্ঠীয়ে ক্ৰিয়া কৰি থাকে। এই গোষ্ঠীবোৰেও

Scanned with CamScanner

(৭) সৈন্য বাহিনীৰ মাজত যিবোৰ মূল্যবোধ, মতাদৰ্শ আৰু দৃষ্টিভঙ্গী ক্ৰীয়াশীল হৈ থাকে, সেইবোৰক লক্ষ্য কৰি এইটো কোৱা হয় যে এই গোষ্ঠী ব্যক্তিগত স্বাৰ্থ আৰু গোষ্ঠীগত স্বাৰ্থৰ উৰ্ধ্বত অৱস্থান কৰে। সেনা বাহিনী হ'ল প্ৰকৃত অৰ্থত জাতীয় স্বাৰ্থ আৰু সংহতিৰ ৰক্ষক আৰু পৃষ্ঠপোষক। স্বদেশপ্ৰেম আৰু আত্মত্যাগৰ গুণাৱলী সৈন্য বাহিনীৰ সদস্যসকলৰ মাজত সঞ্চাৰিত হৈ থাকে।

(৮) সৈন্য বাহিনীয়ে সাধাৰণতে অসামৰিক চৰকাৰৰ ওপৰত প্ৰত্যক্ষভাৱে নাইবা বিশেষ ধৰণৰ কোনো চাপ সৃষ্টি নকৰে। তথাপিও কেতিয়াবা কেতিয়াবা সামৰিক স্বাৰ্থত অসামৰিক চৰকাৰৰ ওপৰত হেচা প্ৰয়োগ কৰে।

(৯) সৈন্য বাহিনী সাধাৰণতে সাংবিধানিক আইন নাইবা আইন সভাৰ দ্বাৰা প্ৰণীত আইনৰ মাধ্যমত গঠন কৰা হয়। এই বাহিনীৰ কাৰ্যকলাপ নিৰ্ধাৰিত আৰু নিয়ন্ত্ৰিত হয় ৰাষ্ট্ৰীয় আইনৰ জৰিয়তে। অন্যান্য সামাজিক গোষ্ঠীবোৰ এনে ধৰণে গঠিত নহয় যদিও এই গোষ্ঠীবোৰেও সকলো বিষয়তে ৰাষ্ট্ৰীয় আইন মানি চলিবলৈ বাধ্য।

(১০) সেনা বাহিনীৰ মূল উদ্দেশ্য হ'ল— ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা আৰু জাতীয় সংহতি ৰক্ষাৰ ব্যৱস্থা কৰা। ৰাষ্ট্ৰৰ অখণ্ডতা ৰক্ষা কৰাই হ'ল এই বাহিনীৰ পহিলা দায়িত্ব। এই কাৰণে সৈন্য বাহিনীক জাতীয় স্বাৰ্থ ৰক্ষক বুলি অভিহিত কৰা হয়।

**সৈন্য বাহিনীৰ ৰাজনৈতিক ভূমিকা (Political Role of the Army) :** এলান বলে (Allan Ball) তেওঁৰ Modern Politics and Government নামৰ গ্ৰন্থখনত সৈন্যবাহিনীৰ ৰাজনৈতিক ভূমিকা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিছে। তেওঁৰ মতে সৈন্য বাহিনীৰ ৰাজনৈতিক মনোভাৱ আৰু সামগ্ৰীকভাৱে সামৰিক বাহিনীৰ ভূমিকা প্ৰধানকৈ দুটা পৰিবৰ্তনীয়ৰ (Variable) ওপৰত নিৰ্ভৰশীল। এই পৰিবৰ্তনীয় দুটা হ'ল— ক) সৈন্য বাহিনীৰ প্ৰকৃতি (Nature of the military) আৰু (২) অসামৰিক চৰকাৰৰ শক্তি সামৰ্থ্য (Strength of the civilian government)।

**সৈন্য বাহিনীৰ প্ৰকৃতি :** সামৰিক বাহিনীৰ আকৃতি-প্ৰকৃতিয়ে বহু পৰিমাণে তাৰ ৰাজনৈতিক মনোভাৱ আৰু ভূমিকাক প্ৰভাৱিত কৰে। কোনো

Scanned with CamScanner

সামাৰ...

(৪) সৈন্য বাহিনীৰ সকলো সদস্যৰ কাৰণে নিৰ্দিষ্ট প্ৰশিক্ষণৰ ব্যৱস্থা থাকে। সৈন্য বাহিনীৰ সাধাৰণ প্ৰশিক্ষণ ব্যৱস্থা এটা নিৰবচ্ছিন্ন প্ৰক্ৰিয়া হিচাপে সদায় সক্ৰিয় হৈ থাকে। সৈন্য বাহিনীৰ সদস্য সকলৰ নিয়মীয়া প্ৰশিক্ষণৰ উপৰিও বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা থাকে আৰু এই বিশেষ প্ৰশিক্ষণৰ মাধ্যমত সৈন্য বাহিনীৰ সদস্য সকলৰ মাজত দক্ষতা সৃষ্টি আৰু বৃদ্ধি কৰা হয়। প্ৰশিক্ষণৰ মাধ্যমত সামৰিক বাহিনীৰ সদস্য সকলৰ মাজত মূল্যবোধ, দৃষ্টিভংগী, দেশপ্ৰেম, কৰ্তব্যনিষ্ঠা, নিয়মানুবৰ্তিতা ইত্যাদি গুণবোৰ গঢ়ি তোলা হয়।

(৫) বৈদেশিক আক্ৰমণ প্ৰতিৰোধ কৰি ৰাষ্ট্ৰৰ নিৰাপত্তা ৰক্ষা কৰাৰ উপৰিও আভ্যন্তৰীণ গণ্ডগোল আৰু বিশৃঙ্খলা দমনৰ বাবে সেনা বাহিনীয়ে বল প্ৰয়োগ কৰে। আভ্যন্তৰীণ ক্ষেত্ৰত শান্তি-শৃঙ্খলা ৰক্ষাৰ বিষয়ত আৰক্ষী বাহিনী ব্যৰ্থ হ'লে সকলো ধৰণৰ ৰাজনৈতিক ব্যৱস্থাতেই সৈন্য বাহিনীৰ সহায় লোৱা হয়। কৰ্তব্য সম্পাদনৰ ক্ষেত্ৰত সেনা বাহিনীয়ে বল প্ৰয়োগ আৰু হিংসাৰ আশ্ৰয় গ্ৰহণ কৰে। অধ্যাপক এলান বলৰমতে সকলো ধৰণৰ ৰাজনৈতিক ব্যৱস্থাতেই সৈন্য বাহিনী হ'ল হিংসাৰ মূখ্য হাতিয়াৰৰ একচেতিয়া অধিকাৰী। তেওঁ কৈছে— "Above all the military monopolises the chief instruments of violence in the political system."

(৬) সৈন্য বাহিনীয়ে নিজৰ কাৰ্যসূচী আৰু কাৰ্য পৰিচালনাৰ ক্ষেত্ৰত দক্ষিণপন্থী (Rightist) নাইবা বামপন্থী (Leftist) মতাদৰ্শ বা মূল্যবোধৰ দ্বাৰা পৰিচালিত হ'ব পাৰে। সৈন্য বাহিনীয়ে সকলো সময়তে দক্ষিণপন্থী চিন্তা চেতনাৰ দ্বাৰা পৰিচালিত নহয়। মানৱ সভ্যতাৰ ইতিহাসত দেখা যায় যে সৈন্য বাহিনীয়ে দক্ষিণপন্থী চৰকাৰক অপসাৰিত কৰি বামপন্থী চৰকাৰ প্ৰতিষ্ঠা কৰিছে।

Scanned with CamScanner

কোনো সামৰিক বাহিনী অন্যান্য সামৰিক বাহিনীৰ তুলনাত অধিক পেচাদাৰী বৈশিষ্ট্যযুক্ত। এই পেচাদাৰী মনোভাৱে সমাজত সামৰিক বাহিনীৰ মৰ্যদাবোধক প্ৰভাৱিত কৰে। ইয়াৰ পৰাই সামৰিক বাহিনীৰ মাজত নিজৰ সম্পৰ্কত গৰ্ববোধ আৰু সমাজৰ অন্যান্য গোষ্ঠীৰ পৰা স্বাতন্ত্ৰ্যবোধৰ সৃষ্টি হয়। আৰু ইয়াৰ মাধ্যমতেই সামৰিক বাহিনীৰ বৈশিষ্ট্যযুক্ত মূল্যবোধ আৰু মনোভাৱৰ অভিব্যক্তি ঘটে। আকৌ বাধ্যতামূলক নিযুক্তিৰ ভিত্তিত গঠিত সৈন্যবাহিনী আৰু স্বেচ্ছামূলকভাৱে গঠিত সৈন্য বাহিনীৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। কোনো কোনো সামৰিক বাহিনীত নিযুক্তিৰ বিষয়ত সম্ভ্ৰান্ত শ্ৰেণী বা এলিট ব্যক্তিবৰ্গৰ (Elite) নিযুক্তিৰ ওপৰত গুৰুত্ব দিয়া হয়। আকৌ কোনো কোনো সামৰিক বাহিনীত নিয়োগৰ ক্ষেত্ৰত কৃষিজীৱি সম্প্ৰদায় নাইবা নিম্ন মধ্যবিত্ত পৰিয়ালৰ লোকসকলক গুৰুত্ব দিয়া হয়। এই কাৰণে বিভিন্ন সামৰিক বাহিনীৰ সদস্য সকলৰ মাজত সামাজিক পটভূমিগত পাৰ্থক্য পৰিলক্ষিত হয়। বিভিন্ন সামৰিক বাহিনীৰ বিশেষজ্ঞতা আৰু প্ৰযুক্তিগত বিচক্ষণতা নাইবা প্ৰশাসনিক দক্ষতাৰ ক্ষেত্ৰত পাৰ্থক্য থাকে। আৰু তাৰ ফলত সিদ্ধান্ত গ্ৰহণৰ পক্ৰিয়াক প্ৰভাৱিত আৰু নিয়ন্ত্ৰিত কৰাৰ ক্ষেত্ৰত বিভিন্ন সামৰিক বাহিনীৰ সামৰ্থ্যৰ মাজত পাৰ্থক্য থকা দেখা যায়। সামৰিক বাহিনীয়ে অসামৰিক চৰকাৰক প্ৰভাৱিত কৰক বা নকৰক অথবা চৰকাৰী ক্ষমতা দখল কৰক বা নকৰক, হিংসাৰ আশ্ৰয় গ্ৰহণ, ৰাজনৈতিক অভিজ্ঞতাৰ অভাৱ, চৰকাৰী কাৰ্যকলাপত সামৰিক মূল্যবোধ আৰু পদ্ধতিৰ প্ৰয়োগ আদি সামৰিক বাহিনীৰ দুৰ্বলতাৰেই লক্ষণ।

**ৰাজনৈতিক ব্যৱস্থাৰ প্ৰকৃতি ঃ** সামৰিক বাহিনীৰ ৰাজনৈতিক ভূমিকাৰ অন্যতম নিৰ্ধাৰক হিচাপে প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ প্ৰকৃতিৰ বিষয়টোও গুৰুত্বপূৰ্ণ। এটা মাত্ৰ ৰাজনৈতিক দলৰ নিয়ন্ত্ৰণাধীন সমাজতান্ত্ৰিক ব্যৱস্থাত নাইবা শিল্পোন্নত উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাত সামৰিক বাহিনীৰ প্ৰত্যক্ষ হস্তক্ষেপৰ সম্ভাৱনা কম থাকে। আনহাতে যিবোৰ ৰাষ্ট্ৰৰ অসামৰিক চৰকাৰ জনসাধাৰণৰ আনুগত্য অৰ্জনত ব্যৰ্থ হয়, সেই ৰাষ্ট্ৰবোৰত সামৰিক বাহিনীৰ প্ৰত্যক্ষ হস্তক্ষেপৰ ক্ষমতা সাধাৰণতে বেচি। কিন্তু অসামৰিক চৰকাৰৰ পিচত বৈধতা থাকে। সামৰিক বাহিনী এই বৈধতাৰ বাহিৰত। অসামৰিক চৰকাৰৰ শাসনৰ অধিকাৰ জনগণৰ সাৰ্বভৌমত্ব আৰু ঐতিহ্যগত ধাৰণাৰ ওপৰত

process is the exception rather that the rule in liberal democracies and socialist states."

বিভিন্ন উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাত গণ-সামৰিক বাহিনী অসামৰিক কৰ্তৃপক্ষৰ অধীনত থাকে। দেশৰ ৰাজনৈতিক প্ৰক্ৰিয়াত সামৰিক বাহিনীয়ে যিখিনি সীমিত পৰিমাণৰ হস্তক্ষেপৰ সুযোগ পায়, সেইখিনি সকলো ক্ষেত্ৰতে সমান নহয়। সাধাৰণতে সামৰিক বাহিনীয়ে বিভিন্ন উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাত এই ধাৰা অব্যাহত ৰাখে। অৰ্থাৎ বেছিভাগ ক্ষেত্ৰতেই অ-সামৰিক কৰ্তৃপক্ষৰ নিৰ্দেশ আৰু নিয়ন্ত্ৰণাধীনত সামৰিক বাহিনী পৰিচালিত হয়। মাৰ্কিন যুক্তৰাষ্ট্ৰ, কানাডা, ব্ৰিটেইন, ভাৰত ইত্যাদি সকলোবোৰ উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাত আনকি গণ-প্ৰজাতন্ত্ৰী চীন নিচিনা, এক-দলীয় সমাজতান্ত্ৰিক ব্যৱস্থাত অসামৰিক চৰকাৰী কৰ্তৃপক্ষ অধীনত থাকিয়েই সামৰিক বাহিনীয়ে নিজৰ কাৰ্যাবলী পৰিচালনা কৰে। এই দেশবোৰৰ অসামৰিক চৰকাৰৰ বৈধতাক এই দেশবোৰৰ সামৰিক বাহিনীয়ে বৰ্তমানলৈকে প্ৰত্যাহ্বান জনোৱা নাই। যদিও কোনো কোনো উদাৰনৈতিক গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ইতিহাস-ঐতিহ্যৰ সৈতে গৌৰবোজ্জ্বল সামৰিক ঘটনা জড়িত হৈ আছে। মাৰ্কিন যুক্তৰাষ্ট্ৰই সামৰিক শক্তি প্ৰয়োগৰ দ্বাৰাই ইউৰোপৰ নিয়ন্ত্ৰণৰ পৰা স্বাধীনতা লাভ কৰিছিল। কিন্তু মাৰ্কিন ৰাজনৈতিক ব্যৱস্থাত সামৰিক বাহিনী অসামৰিক চৰকাৰৰ নিয়ন্ত্ৰণত পৰিচালিত হৈ আছে। অৱশ্যে মাৰ্কিন বৈদেশিক নীতি নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পেণ্টাগণৰ চাপ (Pressure) ক অস্বীকাৰ কৰিব নোৱাৰি। একেধৰণে সোতৰ শতিকাৰ ক্ৰম ওৱেল (Cromwell) ৰ নেতৃত্বত পৰিচালিত সামৰিক নিয়ন্ত্ৰণৰ সময়খিনিত বাহিৰে ব্ৰিটিছ সামৰিক বাহিনী অসামৰিক কৰ্তৃপক্ষ অধীনতে আছে। অৱশ্যে যুদ্ধকালীন অৱস্থাত অসামৰিক চৰকাৰ সামৰিক কৰ্তৃপক্ষৰ অধীনতে থাকে। অৱশ্যে যুদ্ধকালীন অবস্থাত অসামৰিক আৰু সামৰিক কৰ্তৃপক্ষৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ বিষয়টোৰে পৃথক মাত্ৰা

Scanned with CamScanner

বিষয়টোকো অবহেলা কৰিব নোৱাৰি। সমৰ্থনৰ ওপৰত জনসাধাৰণৰ চৰকাৰ প্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰি থাকে। কম পৰিমাণৰ হ'লেও জনসমৰ্থন পোৱাৰ নিশ্চয়তা নাথাকিলে সামৰিক বাহিনীয়ে সাধাৰণতে ৰাজনৈতিক প্ৰক্ৰিয়াত কোনো ধৰণৰ হস্তক্ষেপৰ প্ৰতি আগ্ৰহী নহয়। ৰাজনৈতিক প্ৰক্ৰিয়াত হস্তক্ষেপৰ ঘটনা সংঘটিত হোৱাৰ লগে লগেই সামৰিক বাহিনীৰ যাৱতীয় সমস্যাৰ সমাপ্তি নঘটে। সামৰিক নিয়ন্ত্ৰণ আৰোপৰ নিচিনা পৰ্যায়ত থকাৰ পিচত সামৰিক বাহিনী পিচুৱাই অহাটোৱো কম সমস্যাৰ বিষয় নহয়। আকৌ উচ্চ পৰ্যায়ত সামৰিক নিয়ন্ত্ৰণ আৰোপিত হ'লে চৰকাৰী কাৰ্যকলাপৰ সৈতেসামৰিক বাহিনীৰ সম্পৰ্কৰ পৰিবৰ্তনৰ সূচনা হয়। তাৰ ফলত চৰকাৰৰ যাৱতীয় অপ্ৰিয় সিদ্ধান্তৰ বাবে সামৰিক বাহিনীয়ে দায়বদ্ধ হ'ব লগা হয়। সামৰিক বাহিনীয়ে সংকীৰ্ণ সাম্প্ৰদায়িক বা আঞ্চলিক স্বাৰ্থৰ পৰিবৰ্তে বৃহত্তৰ জাতীয় স্বাৰ্থৰ পৃষ্ঠপোষকতা কৰে— এই বিশ্বাসৰ ওপৰতো আঘাট আহিবলৈ ধৰে। আনহাতে সামৰিক বাহিনীৰ ঐক্যতো ফাট মেলাৰ আশংকাই দেখা দিয়ে। অসামৰিক চৰকাৰৰ সৈতে পূৰ্বৰ সম্পৰ্ক পুনঃপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত সামৰিক বাহিনী সমস্যাৰ সন্মুখীন হয়। সামৰিক বাহিনীৰ নেতাসকলে শাস্তিভোগৰ আশংকাক একেবাৰে দলিয়াই পেলাব নোৱাৰি।

**Questions :–**

1. Discuss the concept of Political Change. How it is differ from Political Development.
2. Explain the Reformative Political Change and Revolutionary Political Change.
3. Discuss the role of Political Party in Political Chang
4. Explain how economic element or power influen in Political Change.
5. Discuss the role of Ideology in Political Change.
6. Write a note on War and Political Change.
7. Elaborate the changing nature of the concept of litical Change.

Scanned with CamScanner

(১) ভুল [illegible] ... তেওঁ কৈছিল, সমাজতান্ত্ৰিক বিপ্লৱ প্ৰথম উন্নত পুঁজিবাদী দেশত ... হ'ব। কিন্তু বাস্তৱ ক্ষেত্ৰত ১৯১৭ চনত প্ৰথম সমাজতান্ত্ৰিক বিপ্লৱ ...ত সংঘটিত হয়। সেই সময়ৰ ৰাছিয়াক কোনোমতেই উন্নত পুঁজিবাদী দেশ বুলি গণ্য কৰিব নোৱাৰি।

(২) বিপ্লৱৰ পৰৱৰ্তী সমাজ সম্পৰ্কে ভুল ব্যাখ্যা : মাৰ্ক্সীয় তত্ত্ব অনুসৰি সমাজতান্ত্ৰিক বিপ্লৱৰ মাধ্যমেৰে সৰ্বহাৰা শ্ৰেণীৰ একনায়কত্ব প্ৰতিষ্ঠিত হ'ব আৰু সেইটোৱে ক্ৰমাৎ সাম্যবাদ প্ৰতিষ্ঠাৰ লক্ষ্যত অগ্ৰসৰ হ'ব। কিন্তু দেখা গৈছে যে, বিপ্লৱৰ মাধ্যমত সৰ্বহাৰা শ্ৰেণীয়ে ৰাষ্ট্ৰ ক্ষমতা দখল কৰিলেও সাম্যবাদ প্ৰতিষ্ঠান পৰিবৰ্তে পুনৰ পুঁজিবাদ প্ৰতিষ্ঠাৰ দিশলৈ অগ্ৰসৰ হয়।

## সৈন্য বাহিনীৰ ভূমিকা
## Role of the Army

সৈন্য বাহিনী হ'ল প্ৰতিষ্ঠানিক গোষ্ঠী। এই গোষ্ঠী সুসংগঠিত আৰু ইয়াৰ নিৰ্দিষ্ট লক্ষ্য থাকে। ৰাজনৈতিক ব্যৱস্থাৰ অভ্যন্তৰত সৈন্য বাহিনীয়ে এটা গোষ্ঠী হিচাপে অবস্থান কৰে আৰু তাৰ নিৰ্দিষ্ট উদ্দেশ্য অনুসৰিভূমিকা পালন কৰি থাকে। প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ এটা গোষ্ঠী হিচাপে সৈন্য-বাহিনীৰ কেইটামান বিশেষ বৈশিষ্ট্য আছে। সৈন্য বাহিনীৰ এই বৈশিষ্ট্যবোৰে অন্যান্য সামাজিক গোষ্ঠিৰ সৈতে সৈন্য বাহিনীৰ পাৰ্থক্যক প্ৰকাশ কৰে। অধ্যাপক এলান বল (Alan R. Ball) -এ তেওঁৰ Modern Politics and Government নামৰ গ্ৰন্থত এই বিষয়ত বিস্তৃত আলোচনা আগবঢাইছে।

এছ. ই ফাইনাৰ (S.E. Finer), লুচিয়ান পাই (Lucian Pye) আৰ... অধ্যাপক এলান বলৰ বিশ্লেষণৰ ওপৰত ভিত্তি কৰি সৈন্য বাহিনীৰ কেইটামা... বৈশিষ্ট্য উল্লেখ কৰিব পাৰি।

ক) সৈন্য বাহিনীৰ সংগঠন ক্ৰমোচ্চ স্তৰীকৃত (hierarchical) অ... কেন্দ্ৰীভূত (Centralised)। সাংগঠনিক দিশত আমোলাতন্ত্ৰৰ সৈতে ...

Scanned with CamScanner

ব্যৱস্থাত এই সামৰিক বাহিনীৰ ভূমিকা বিশেষ তাৎপৰ্যপূৰ্ণ। এই সামৰিক বাহিনীৰ নিয়ন্ত্ৰণ প্ৰচলনৰ ফলত যি ধৰণৰ পৰিকাঠামো (Intrastructure) গঢ়ি তোলা হয় তাৰ মাজত উপজাতিগত বা অন্যান্য বৈষম্য বিশেষ ধৰণে হ্ৰাস পায়। এই প্ৰসঙ্গত আৰু এটা বিষয় উল্লেখ কৰা দৰকাৰ। ঔপনিবেশিক শক্তিবোৰে স্বাধীনতা লাভ কৰাৰ আগৰ উপনিবেশসমূহৰ সামৰিক বাহিনীবোৰক কায়দাৰে প্ৰশিক্ষণ প্ৰদানৰ বিষয়ত উদ্যোগ গ্ৰহণ কৰে। এই ঔপনিবেশিক শক্তিবোৰৰ সামৰিক আন্তঃ গাথনি আৰু প্ৰশিক্ষণ বেলেগ বেলেগ প্ৰকৃতিৰ হয়। প্ৰাক্তন উপনিবেশবোৰৰ সামৰিক বাহিনীৰ বিভিন্ন অংশ যদি বিভিন্ন দেশৰ সামৰিক শিক্ষাত স্বতন্ত্ৰভাৱে প্ৰশিক্ষণ লাভ কৰে, সেই ক্ষেত্ৰত সংশ্লিষ্ট দেশৰ সৈন্যবাহিনীৰ মাজত ঐক্য আৰু সংহতি বিপন্ন হোৱাৰ আশংকা থাকে। দৃষ্টিভঙ্গি আৰু বৃত্তিগত পাৰ্থক্যৰ পৰিপ্ৰেক্ষিতত সামৰিক বাহিনীৰ এটা অংশই আনটো অংশৰ ওপৰত নিয়ন্ত্ৰণ চলোৱাৰ চেষ্টা কৰিব পাৰে। আৰু এই দিশৰ পৰা সামৰিক অভ্যুত্থানৰ আশংকাক অস্বীকাৰ কৰিব পৰা নাযায়।

**সামৰিক বাহিনীৰ সদস্য সকলৰ সামাজিক পটভূমি ঃ** সামৰিক বাহিনীৰ সদস্যসকলৰ নিজৰ নিজৰ বৃত্তিৰ প্ৰতি গভীৰ আনুগত্যও এই ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ। তাৰোপৰি সামৰিক বাহিনীৰ সদস্যসকলৰ নিয়োগ পদ্ধতি, সদস্য সকলৰ সামাজিক আৰু আঞ্চলিক পটভূমি ইত্যাদিও এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ। বিষয়টো ব্যাখ্যা কৰাৰ বাবে অধ্যাপক এলান বলে মধ্যপ্ৰাচ্যৰ সামৰিক বাহিনীৰ সদস্য সকলৰ নিয়োগ পদ্ধতি, সদস্য সকলৰ সামাজিক আৰু আঞ্চলিক পটভূমি ইত্যাদিও এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ। বিষয়টো ব্যাখ্যা কৰাৰ বাবে অধ্যাপক এলান বলে মধ্যপ্ৰাচ্যৰ সামৰিক বাহিনীৰ সদস্যসকলৰ সামাজিক পটভূমি আলোচনা কৰিছে। সাধাৰণতে নিম্ন মধ্যবিত্ত শ্ৰেণীৰ পৰাই মধ্যপ্ৰাচ্যৰ সামৰিক বাহিনীৰ অধিকাংশ সদস্য নিযুক্ত হয়। কাৰণ এই শ্ৰেণীৰ মানুহেই সমকালীন ৰাজনৈতিক ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ ক্ষেত্ৰত অতিমাত্ৰাত আগ্ৰহী আৰু উদ্যোগী। অন্য কোনো ৰাজনৈতিক বা সামাজিক সংগঠনৰ মাধ্যমত এই পৰিবৰ্তন সাধন কৰাটো সম্ভৱপৰ নহয়। সামৰিক বাহিনীকেই তেওঁলোকে এই ক্ষেত্ৰত উপযু মাধ্যম হিচাপে গ্ৰহণ কৰে আৰু এই বাহিনী যোগ দিয়ে। সামৰিক বাহি

প্ৰতিষ্ঠিত। এই কাৰণবোৰৰ বাবে কোৱা হয় যে অসামৰিক চৰকাৰৰ মাৰাত্মক ধৰণৰ দুৰ্বলতা আৰু ক্ৰুটি-বিচ্যুতি নাথাকিলে সামৰিক বাহিনীৰ হস্তক্ষেপ সফল হোৱাৰ সম্ভাৱনা নাথাকে।

অসামৰিক চৰকাৰ আৰু সামৰিক বাহিনীৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক কেইটামান কাৰণৰ বাবে অত্যন্ত জটিল হৈ পৰে। এই কাণবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল সামৰিক আৰু অসামৰিক কৰ্তৃপক্ষৰ মূল্যবোধৰ মাজত সংঘাট, সংশ্লিষ্ট মূল্যবোধৰ দৃঢ়তা, অসামৰিক চৰকাৰৰ কাৰ্যাৱলীৰ জটিলতা ইত্যাদি। ৰাজনৈতিক ক্ষেত্ৰত সামৰিক বাহিনীৰ ভূমিকা গভীৰভাৱে পৰ্যালোচনাৰ স্বাৰ্থত আৰু সংশ্লিষ্ট নিৰ্ধাৰক নাইবা পৰিবৰ্তনীয়বোৰৰ পৰ্যালোচনাৰ কাৰণে কেইটামান বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ কথা কোৱা হয়। এই বিষয়বোৰ হ'ল— ক) সামৰিক বাহিনীৰ সীমাবদ্ধ হস্তক্ষেপ (Limited interference by the military) (খ) প্ৰত্যক্ষ হস্তক্ষেপ (Direct interference), (গ) সামৰিক শাসন ৰূপান্তৰত হস্তক্ষেপ (interference leading to military rule)। অধ্যাপক এলান বলে এই ধৰণে সামৰিক বাহিনীৰ বিভিন্ন ৰাজনৈতিক ভূমিকাৰ উল্লেখ কৰিছে।

**(১) ৰাজনৈতিক প্ৰক্ৰিয়াত সীমিত হস্তক্ষেপ (Limited Interference in the Political Procss) ঃ**

সামৰিক বাহিনীয়ে চৰকাৰী নীতিক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰে। বিশেষকৈ চৰকাৰৰ বৈদেশিক আৰু প্ৰতিৰক্ষা নীতিক প্ৰভাবান্বিত কৰাৰ কাৰণে বিশেষ উদ্যোগ লয়। তাৰোপৰি সামৰিক বাহিনীয়ে নিজৰ নিজৰ চাকৰিৰ চৰ্তবোৰ আৰু আনুষঙ্গিক সুযোগ সুবিধা চৰকাৰৰ পৰা আদায়ৰ ক্ষেত্ৰত সদায় চেষ্টা চলায় থাকে। এইবোৰ হ'ল ৰাজনৈতিক প্ৰক্ৰিয়াত সৈন্য বাহিনীৰ সীমিত হস্তক্ষেপ। সামৰিক বাহিনীয়ে দেশৰ ৰাজনৈতিক প্ৰক্ৰিয়াত এই ধৰণৰ সীমিত হস্তক্ষেপৰ সুযোগ পাই থাকে। এই ধৰণৰ সীমিত হস্তক্ষেপৰ মূল উদ্দেশ্য হ'ল বিশেষ কোনো নীতিক চৰকাৰী মাধ্যমত বাস্তৱত ৰূপায়িত কৰা আৰু সৈন্য বাহিনীৰ সদস্যসকলৰ দাবী পূৰণৰ ব্যৱস্থা কৰা। কিন্তু সামৰিক বাহিনীৰ দ্বাৰা অসামৰিক চৰকাৰ অপসাৰিত কৰাৰ বা চৰকাৰৰ সিদ্ধান্ত বা নিৰ্দেশক অগ্ৰাহ্য কৰাৰ ঘটনা সচৰাচৰ নঘটে। অধ্যাপক এলান বলৰ মতে উদাৰনৈতিক গণতান্ত্ৰিক ব্যৱস্থাত ৰাজনৈতিক

Scanned with CamScanner

leading to military dictatorships." স্বাধীনতা আৰু সংহতিৰ দীঘলীয়া ইতিহাস যিবোৰ দেশৰ আছে, সেই দেশবোৰতো এই ধৰণৰ সামৰিক হস্তক্ষেপৰ ঘটনা ঘটাৰ সম্ভাৱনা নোহোৱা নহয়। তাৰোপৰি সদ্য-স্বাধীনতা প্ৰাপ্ত ৰাষ্ট্ৰ, যিবোৰ ৰাষ্ট্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আনুগত্যৰ পৰিবৰ্তে উপজাতিগত আনুগত্য যথেষ্ট প্ৰবল হয়, সেই ৰাষ্ট্ৰবোৰত সামৰিক নিয়ন্ত্ৰণ প্ৰচলন হোৱাৰ সম্ভাৱনা অধিক থাকে।

**সামৰিক নিয়ন্ত্ৰণ প্ৰতিষ্ঠিত হোৱাৰ ক্ষেত্ৰত সামৰিক বাহিনীৰ প্ৰকৃতি গুৰুত্বপূৰ্ণ ঃ** সামৰিক শাসন প্ৰতিষ্ঠিত হোৱাৰ ক্ষেত্ৰত সামৰিক বাহিনীৰ নিজস্ব আকৃতি আৰু প্ৰকৃতিৰ বিষয়টোও বিশেষ ধৰণে তাৎপৰ্যপূৰ্ণ। অধ্যাপক এলান বলে সঠিকভাৱেই মন্তব্য কৰিছে— "The nature of the armed forces is a factor great significance in the establishment of a military government." বিভিন্ন ৰাষ্ট্ৰই সামৰিক বাহিনীক জাতীয় ঐক্য আৰু সংহতি নাইবা জাতীয়তাবাদৰ প্ৰতীক হিচাপে প্ৰতিপন্ন কৰে। দেশ আৰু জাতিৰ বৃহত্তৰ স্বাৰ্থৰ সংৰক্ষক হিচাপে সামৰিক বাহিনীৰ ভূমিকাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। কোৱা হয় যে মূল্যবোধ, শৃঙ্খলা আৰু দক্ষতাৰ সহাৱস্থান সামৰিক বাহিনীৰ মাজেৰেই সম্ভৱপৰ। পৰাধীন দেশৰ অধিবাসী সকলে জাতিগত বিভেদক পৰিহাৰ কৰি সংঘবদ্ধ হয় আৰু স্বাধীনতাৰ সংগ্ৰামত মিলিত হয়। কিন্তু স্বাধীনতা লাভৰ পিচত জাতিবোৰৰ মাজত ঐক্য আৰু সংহতিৰ অনুভূতি নোহোৱা হোৱাত বৰ বেচি পলম নহয়। তেতিয়া দেশবাসীৰ ঐক্যবোধত ফাট মেলে আৰু এই অৱস্থাত জাতীয় স্বাৰ্থৰ পৰিবৰ্তে সংকীৰ্ণ সাম্প্ৰদায়িক আৰু আঞ্চলিক স্বাৰ্থই প্ৰাধান্য পায়। এই অৱস্থাত জাতীয় ঐক্য আৰু সংহতি তথা জাতীয় স্বাৰ্থ সংৰক্ষণৰ বাবে সামৰিক নিয়ন্ত্ৰণৰ সম্ভাৱনা উজ্জ্বল হৈ উঠে। তাৰোপৰি সামৰিক বাহিনীৰ মাজতো যোগ্য প্ৰশাসক আৰু দক্ষ প্ৰযুক্তিবিদ সকল থাকে। এওঁলোকৰ সহায়ত অনগ্ৰসৰ আৰু উন্নয়নশীল দেশবোৰত সামৰিক বাহিনী ইয়াৰ উন্নয়নমূলক ভূমিকাত অৱতীৰ্ণ হ'ব পাৰে। বিশেষ ধৰণৰ প্ৰশিক্ষণৰ পৰিপ্ৰেক্ষিতত সামৰিক বাহিনীৰ সদস্যসকলৰ মাজত 'পাশ্চাত্যকৰণ' বা 'আধুনিকীকৰণ' (Modernization) স্বাভাৱিক ধৰণেই সম্পাদিত হয়। কোনো সনাতন, গ্ৰামীণ উপজাতিগত আৰু ক্ৰমোচ্চ-স্তৰীকৃত সমাজ

Scanned with CamScanner

নিৰসন আৰু নিৰাপত্তা সংৰক্ষণ আৰু সামৰিক অভ্যুত্থানৰ আশংকা ৰোধত এই বাহিনীবোৰক ব্যৱহাৰ কৰা হয়। নাজীবাদী বা ফেচীবাদী স্বৈৰতান্ত্রিক ব্যৱস্থাত ক্ষমতাশালী নেতাৰ ৰাজনৈতিক প্রতিপত্তিক একচেতিয়া কৰাৰ কাৰণে এই ধৰণৰ বাহিনী গঠন কৰা হয়।

**(২) প্রত্যক্ষ হস্তক্ষেপ (Direct Interference) :** ৰাজনৈতিক প্রক্রিয়াত পূৰ্ণাঙ্গ সামৰিক নিয়ন্ত্রণ বা পৰিপূর্ণ সামৰিক শাসনৰ অৱস্থাক সামৰিক বাহিনীৰ প্রত্যক্ষ হস্তক্ষেপ বুলি কোৱা নহয়। এইটো হ'ল এটা মধ্যবর্তী অবস্থা। ৰাজনৈতিক প্রক্রিয়াত সামৰিক বাহিনীৰ সীমিত হস্তক্ষেপ আৰু পূৰ্ণাঙ্গ সামৰিক শাসন বা সামৰিক নিয়ন্ত্রণৰ এক মধ্যবর্তী অৱস্থাকেই কোৱা হয় প্রত্যক্ষ সামৰিক হস্তক্ষেপ। এই ধৰণৰ সামৰিক হস্তক্ষেপৰ ঘটনা যিকোনো ধৰণৰ ৰাজনৈতিক ব্যৱস্থাতেই ঘটিব পাৰে। অধ্যাপক এলান বলৰ ভাষাত "Direct interference by the military in politics, but failing short of the assumption of power by the military, may occur in any type of political system." বিভিন্ন কাৰণ বা উদ্দেশ্য চৰিতাৰ্থৰ বাবে ৰাজনীতিত প্রত্যক্ষ সামৰিক হস্তক্ষেপ ঘটে। এই উদ্দেশ্যবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল কোনো অ-সামৰিক চৰকাৰক অপসাৰণ আৰু সামৰিক বাহিনীৰ পছন্দৰ অন্য কোনো অসামৰিক চৰকাৰক ক্ষমতাত অধিষ্ঠিত কৰা, সামৰিক বাহিনীৰ বিশেষ কোনো উদ্দেশ্য সাধন ইত্যাদি। সামৰিক বাহিনীয়ে বহু সময়ত বাহিনীৰ সদস্য নিয়োগ পদ্ধতিৰ পৰিবৰ্তন সাধন, বাহিনীৰ সদস্য সকলৰ অভাৱ-অভিযোগবোৰ আদায় কৰা ইত্যাদি উদ্দেশ্যেও ৰাজনীতিত প্রত্যক্ষভাৱে হস্তক্ষেপ কৰে। আকৌ মানৱ সভ্যতাৰ ইতিহাসত এনেকুৱা উদাহৰণো আছে য'ত দুর্নীতি আৰু ব্যক্তিগত স্বাৰ্থৰ প্ৰভাৱৰ পৰা মুক্ত কৰাৰ বাবে সামৰিক বাহিনীয়ে ৰাজনৈতিক ক্ষেত্ৰত প্রত্যক্ষভাৱে হস্তক্ষেপ কৰিছে।

**(৩) সামৰিক নিয়ন্ত্রণ (Military Control) :** প্রকৃততে সামৰিক নিয়ন্ত্রণৰ অর্থ হ'ল সামৰিক শাসন। অর্থাৎ পূৰ্ণাঙ্গ সামৰিক শাসনকে কোৱা হয় সামৰিক নিয়ন্ত্রণ। এই অৱস্থাত ৰাষ্ট্ৰৰ কর্তৃত্ব বা চৰকাৰী ক্ষমতা সামৰিক বাহিনীৰ দখলত থাকে। ক্ষেত্ৰ বিশেষে, প্রত্যক্ষ সামৰিক হস্তক্ষেপ (Direct military interference) আৰু সামৰিক শাসন বা নিয়ন্ত্রণ (military contro

থাকে; তেতিয়াহ'লে সামৰিক নিয়ন্ত্ৰণৰ সম্ভাৱনা ক্ষীণ হৈ পৰে।

**সামৰিক বাহিনীয়ে সাধাৰণতে দক্ষিণপন্থী গোষ্ঠীক সহায় কৰে ঃ** ৰাজনীতিত হস্তক্ষেপৰ ক্ষেত্ৰত সামৰিক বাহিনীয়ে সাধাৰণতে ৰক্ষণশীল গোষ্ঠীবোৰক সমৰ্থন কৰে। উদাহৰণস্বৰূপে ব্ৰাজিলৰ সামৰিক বাহিনী বামপন্থী ৰাষ্ট্ৰপতি গোউলাটিক বৰ্খাস্ত কৰে আৰু ১৯৬৪ চনত এখন দক্ষিণপন্থী (Rightist) একনায়কতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা কৰে। আনহাতে দেশৰ আৰ্থিক অনগ্ৰসৰতা আৰু দুৰ্দশাৰ পৰিপ্ৰেক্ষিতত সামৰিক বাহিনীয়ে বিপ্লৱী গোষ্ঠীকো সমৰ্থন কৰিব পাৰে। মিচৰত সামৰিক অভ্যুত্থানৰ ক্ষেত্ৰত এই ধৰণৰ ঘটনাই ঘটিছিল। এই প্ৰসংগত অধ্যাপক এলান বলে মন্তব্য কৰিছে এনে ধৰণে— "However, the low level of economic development may lead the army to intervene on the part of radical forces in the country aiming at a more egalitarian social structure." ১৯৭৪ চনৰ পৰ্তুগালৰ সামৰিক অভ্যুত্থানৰ ক্ষেত্ৰত এই ধৰণৰ ঘটনা ঘটিছিল। বামপন্থী আৰু দক্ষিণ পন্থী ৰাজনীতিৰ প্ৰতি সমৰ্থনৰ বিষয়ত সামৰিক বাহিনীৰ উচ্চ পদস্থ বিষয়া সকলৰ মাজত বিৰোধে দেখা দিব পাৰে। আৰু এই বিৰোধ সামৰিক বাহিনীত সমস্যাৰ সৃষ্টি কৰিব পাৰে। বৈদেশিক সামৰিক সাহায্যৰ পৰিপ্ৰেক্ষিতত এই সমস্যা প্ৰকট হৈ পৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰই পৃথিবীৰ বিভিন্ন ৰাষ্ট্ৰক মুক্ত মনে সামৰিক সাহায্য প্ৰদান কৰি থাকে। পশ্চাদপদ বা উন্নয়নশীল দেশবোৰৰ সামৰিক বাহিনীক মাৰ্কিন যুক্তৰাষ্ট্ৰই অস্ত্ৰ-শস্ত্ৰ, সামৰিক সাজ-সৰঞ্জাম, প্ৰযুক্তিৰ প্ৰশিক্ষণ আৰু নগদ ধনৰ যোগান ধৰে। এই মাৰ্কিন সাহায্যৰ উদ্দেশ্য হ'ল পশ্চিমৰ উদাৰনৈতিক চৰকাৰ সমূহৰ প্ৰতিপক্ষক বাধা প্ৰদান কৰা। তাৰোপৰি এই ধৰণৰ সামৰিক সাহায্য প্ৰদানৰ মাধ্যমত মাৰ্কিন যুক্তৰাষ্ট্ৰই বিপ্লৱ বিৰোধী প্ৰবণতাৰ পৰিপুষ্টি সাধন কৰে।

**আঞ্চলিক বিৰোধৰ কাৰণে সামৰিক নিয়ন্ত্ৰণ ঃ** কোনো ৰাষ্ট্ৰত আঞ্চলিক পাৰ্থক্য সমূহ প্ৰকট হৈ পৰিলে সংকটৰ সৃষ্টি হয়। এনেকুৱা সংকটৰ পৰিপ্ৰেক্ষিতত সামৰিক বাহিনীয়ে ক্ষমতা দখলৰ বাবে প্ৰত্যক্ষভাৱে এই ধৰণৰ উদাহৰণ দিবলৈ গৈ অধ্যাপক এলান বলে কৈছে— "Nigeria since independence is a clear example of regional divisions

ৰখাৰ বাবে অসামৰিক চৰকাৰ প্ৰতিষ্ঠা কৰাৰ এক নাটকীয় প্ৰচেষ্টা। সামৰিক নিয়ন্ত্ৰণৰ মাত্ৰাক প্ৰভাৱিত কৰাৰ ক্ষেত্ৰত সামৰিক নেতৃত্বৰ কাৰ্যক্ৰম আৰু ৰাজনৈতিক প্ৰকৃতিও অত্যন্ত তাৎপৰ্যপূৰ্ণ। সামৰিক চৰকাৰে অসামৰিকীকৰণৰ মাধ্যমত তাৰ জনপ্ৰিয়তা আৰু বৈধতা বৃদ্ধিৰ আৰু ক্ষমতাত অধিষ্ঠিত থকাৰ ম্যাদ দীঘলীয়া কৰাৰ চেষ্টা কৰে। অসামৰিকীকৰণৰ চাকোনেৰে ক্ষমতা সামৰিক নেতৃবৃন্দই কুক্ষিগত কৰে। নিৰ্বাচনৰ মাধ্যমত অসামৰিক চৰকাৰ প্ৰতিষ্ঠাৰ বিষয়ত সামৰিক চৰকাৰ নিজৰ উদ্যোগ হাতত লয়, প্ৰকৃততে সেই উদ্যোগ নিজৰ বৈধতা প্ৰতিপন্ন কৰাৰ উদ্যোগ। বহু সময়ত সামৰিক চৰকাৰে অসামৰিক চৰকাৰৰ হাতত আংশিকভাৱে ক্ষমতা অৰ্পণ কৰে, অসামৰিক চৰকাৰৰ সামৰ্থ্য আৰু স্থায়িত্ব খুলি চোৱাৰ চেষ্টা কৰে। যেনে ১৯৫৮ চনত ব্ৰহ্মদেশৰ সামৰিক বাহিনীয়ে ক্ষমতা দখল কৰে। ইয়াৰ ১৮ মাহ পিছত সামৰিক কৰ্তৃপক্ষই আংশিকভাৱে ক্ষমতা অসামৰিক কৰ্তৃপক্ষৰ হাতত ন্যস্ত কৰে। কিন্তু ১৯৬২ চনত সামৰিক বাহিনীয়ে আকৌ সম্পূৰ্ণৰূপে ক্ষমতা হস্তগত কৰে।

**সামৰিক বাহিনীৰ নিয়ন্ত্ৰণৰ মাত্ৰা নিৰ্ধাৰক :** উপৰোক্ত আলোচনাৰ পৰা এইটো প্ৰতীয়মান হয় যে নিয়ন্ত্ৰণৰ মাত্ৰাগত বিভিন্ন… কঠোৰভাৱে শ্ৰেণী বিভাজনৰ …

ৰ মাজত পাৰ্থক্য বাচি উলিওৱা জটিল। সামৰিক নিয়ন্ত্ৰণৰ মাত্ৰাত আৰু তাৰ প্ৰকৃতি আৰু পদ্ধতিত পাৰ্থক্য পৰিলক্ষিত হয়। সামৰিক হস্তক্ষেপ বা নিয়ন্ত্ৰণৰ মাত্ৰাগত পাৰ্থক্যৰ কাৰণে এই বিষয়ত বিস্তৃত শ্ৰেণীবিভাজন কৰা সহজ নহয়।

বহু সময়ত সামৰিক আৰু অসামৰিক কৰ্তৃপক্ষই যৌথভাৱে চৰকাৰ গঠন আৰু পৰিচালনা কৰে। নিজৰ শাসনৰ বৈধতাৰ ভিত্তি দৃঢ় কৰাৰ কাৰণে সামৰিক শাসনে এই পথ অৱলম্বন কৰে। এই ক্ষেত্ৰত উদাহৰণ হিচাপে আৰ্জেণ্টিনাৰ কথা ক'ব পাৰি। আনহাতে সময়ৰ অগ্ৰগতিৰ লগে লগে ব্যাপক কোনো ৰাজনৈতিক পৰিৱৰ্তন অবিহনেই সামৰিক চৰকাৰৰ অসামৰিকীকৰণ ঘটিব পাৰে। অধ্যাপক এলান বলে কৈছে— "Military governments may become more civililianised after the passage of time without any dramatic political changes taking place." উদাহৰণ হিচাপে ১৯৫২ চনৰ অভ্যুত্থানৰ পিচত ইজিপ্তত এনেকুৱা ধৰণৰ ঘটনাই ঘটিছে। স্পেইনত দীঘলীয়া গৃহযুদ্ধৰ পিচত সামৰিক বাহিনীয়ে ক্ষমতা দখল কৰে। কালক্ৰমত এই সামৰিক শাসন কৰ্তৃপক্ষ সমকালীন শাসক গোষ্ঠীৰ এটা গুৰুত্বপূৰ্ণ অৱলম্বনত পৰিণত হয়। সামৰিক অসামৰিক যৌথ চৰকাৰ বা পূৰ্ণাঙ্গ সামৰিক চৰকাৰৰ স্থায়িত্ব কেইটামান বিষয়ৰ ওপৰত নিৰ্ভৰশীল। জনসাধাৰণৰ ৰাজনৈতিক চেতনাৰ মান, দেশৰ অৰ্থনৈতিক বিকাশৰ স্তৰ, অসামৰিক সংগঠনসমূহৰ প্ৰভাৱ ইত্যাদি বিষয়বোৰ এই ক্ষেত্ৰত উল্লেখযোগ্য।

**সামৰিক চৰকাৰৰ অসামৰিকীকৰণ** ঃ কোনো কোনো সামৰিক একনায়কতন্ত্ৰত জনসাধাৰণৰ সমৰ্থন অৰ্জনৰ আশাত চৰকাৰী কাৰ্য পৰিচালনাৰ পদ্ধতিক অসামৰিকীকৰণ কৰাৰ ব্যৱস্থা কৰা হয়। এই উদ্দেশ্য আগত ৰাখি ৰাষ্ট্ৰপতি নিৰ্বাচন, মন্ত্ৰীসভা গঠন, প্ৰতিনিধিত্বমূলক আইনসভা গঠন ইত্যাদি ব্যৱস্থা হাতত লয়। এই ক্ষেত্ৰত উদাহৰণ হিচাপে ব্ৰাজিলৰ কথা ক'ব পাৰি। বহু সময়ত অসামৰিক চৰকাৰ এখনক আঁতৰাই আন এখন অসামৰিক চৰকাৰক প্ৰতিষ্ঠা কৰা হয় আৰু এনে ধৰণৰ কাৰ্য চলিয়েই থাকে। এই অৱস্থাত সামৰিক নিয়ন্ত্ৰণ কাৰ্যত বাহাল থাকে। ১৯৪৫ চনৰ পৰা চিৰিয়াৰ ৰাজনীতিত এই ধাৰা পৰিলক্ষিত হয়। এইটো হ'ল সামৰিক নেতৃত্বক ঢাকি

জনাব পাৰে। প্ৰচলিত ৰাজনৈতিক সংগঠন সমূহৰ বৈধতা সম্পৰ্কে আৰু ক্ষমতাত অধিষ্ঠিত শাসক গোষ্ঠীৰ বৈধতা সম্পৰ্কে জনসাধাৰণৰ মনত সন্দেহ থাকিলে সামৰিক বাহিনীয়ে অতি সহজতেই চৰকাৰী ক্ষমতা দখল কৰাৰ সুযোগ পায়। অসামৰিক চৰকাৰী কৰ্তৃপক্ষই জনগণৰ মৌলিক দাবীবোৰক দীৰ্ঘদিন ধৰি অৱহেলা কৰিলে বা পূৰণ কৰাত ব্যৰ্থ হ'লে, অসামৰিক প্ৰশাসন দুৰ্নীতিৰ কেন্দ্ৰস্থলত পৰিয়ণত হ'লে, চৰকাৰী পৃষ্ঠপোষকতাত মুষ্টিমেয় মানুহৰ স্বাৰ্থ সাধন হ'লে অসামৰিক চৰকাৰ জনসাধাৰণৰ আস্থাহীন হৈ পৰে। এই অৱস্থাত সামৰিক বাহিনীৰ চৰকাৰী ক্ষমতা দখলৰ পথ সুগম হয়। এই প্ৰসঙ্গত অধ্যাপক এলান বলে এনেদৰে কৈছে— "In the states that experience direct military control the legitimacy of the existing political institution and of the ruling acquired the respect that puts it beyond the challange of the armed forces. Thus for from meeting widespread opposition to its intervention, the army may be welcomed as a means of ridding of the state of the old corrupt and inefficient politicians." উপৰোক্ত কাৰণসমূহৰ বাবে ১৯৫২ চনত মিচৰত আৰু ১৯৫৮ চনত ইৰাকত সামৰিক বাহিনীৰ দ্বাৰা চৰকাৰী ক্ষমতা দখলৰ অনুকূল অৱস্থাৰ সৃষ্টি হৈছিল। সামৰিক বাহিনীৰ দ্বাৰা কৰ্তৃত্ব আৰোপৰ ক্ষেত্ৰত আৰু কেইটামান কাৰকে প্ৰভাৱ পেলায় এইবোৰৰ ভিতৰত। উল্লেখযোগ্য হ'ল ৰাজনৈতিক দল, প্ৰভাৱগোষ্ঠী শ্ৰমিক সংঘ ইত্যাদি অসামৰিক সংগঠন সমূহৰ সীমাবদ্ধতা দুৰ্বলতা আৰু এইবোৰৰ বৈধতা সম্পৰ্কত গণ মানসত সংশয় সন্দেহ, সকলো সময়তে বৈদেশিক আক্ৰমণৰ আশংকা আৰু বাহিৰা শক্তিৰ হেচাত সামৰিক ক্ষেত্ৰত বাজেটৰ পৰিমাণ বৃদ্ধি, জাতীয় সম্পদৰ বৈষম্যপূৰ্ণ বিতৰণ আৰু ধনী দৰিদ্ৰৰ মাজত ব্যাপক বৈষম্য ইত্যাদি আৰ্থ-সামাজিক ক্ষেত্ৰত ক্ষীপ্ৰ বাঞ্চিত পৰিবৰ্তনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি সামৰিক বাহিনীয়ে জনসাধাৰণৰ আস্থা অৰ্জন কৰিব পাৰে আৰু ৰাজনৈতিক ক্ষমতা দখল কৰিব পাৰে। কিন্তু আৰ্থ-সামাজিক ক্ষেত্ৰত উন্নয়ন যদি আশাপ্ৰদ নহয়, আনহাতে অসামৰিক চৰকাৰ আৰু সংগঠন সমূহৰ বৈধতাৰ বিষয়ত জনসাধাৰণ যদি সন্তুষ্ট থাকে নাইবা ৰাজনৈতিক স্থিতিশীলতা যদি বৰ্তি

Scanned with CamScanner